অৰ্থনৈতিক কল্যাণ বৃদ্ধি কৰিব পাৰি যদিহে ই দুখীয়া শ্ৰেণীৰ আয় বা সম্পদ বৃদ্ধি কৰে আৰু উৎপাদন, বিনিয়োগ ইত্যাদিত বিৰূপ প্ৰভাৱ নেপেলোৱাকৈ ধনী শ্ৰেণীৰ আয় হ্ৰাস কৰে।

**1.12. মুঠ ঘৰুৱা উৎপাদনৰ সীমাবদ্ধতা (Limitations of GDP concept) ঃ**

অৰ্থনৈতিক বিশ্লেষণত মুঠ ঘৰুৱা উৎপাদনৰ ধাৰণাই এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে। মুঠ ঘৰুৱা উৎপাদনৰ সহায়ত এখন দেশৰ প্ৰকৃত উৎপাদনৰ পৰিমাণ নিৰ্ণয় কৰা হয়। ইয়াক অৰ্থনৈতিক কল্যাণৰ মাপকাঠী বুলিও অভিহিত কৰা হয়। দুখন দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ পৰিসংখ্যাৰ ভিত্তিত দেশ দুখনৰ অৰ্থনৈতিক পৰিস্থিতিৰ বুজ ল'ব পাৰি। কিন্তু মুঠ ঘৰুৱা উৎপাদনৰ যথেষ্ট গুৰুত্ব থকা স্বত্তেও ইয়াৰ সীমাবদ্ধতা কিছুমান পৰিলক্ষিত হয়। তলত এই সীমাবদ্ধতা সমূহ উল্লেখ কৰা হ'ল ঃ-

i) **ক'লা বজাৰ বা ছায়া অৰ্থনীতি (Black market or shadow economy) ঃ** যিখন বজাৰ বা অৰ্থনীতিত চোৰাং ব্যৱসায় বা কাম-কাজ সমূহ সংঘটিত হয় তাকে ক'লা বজাৰ বা ছায়া অৰ্থনীতি বুলি কোৱা হয়। যেনে ঃ- ড্ৰাগছৰ লেনদেন, গোপনে অস্ত্ৰ-শস্ত্ৰৰ লেনদেন, মানৱ সৰবৰাহ ইত্যাদি। দেশভেদে ক'লা বজাৰৰ পৰিসৰ ভিন্ন ভিন্ন হয়। যিহেতু ক'লা বজাৰ বা ছায়া অৰ্থনীতিৰ কোনো নিৰ্ভৰযোগ্য আনুষ্ঠানিক তথ্য-পাতি পোৱা যায়, সেয়েহে ইয়াৰ কাম-কাজ সমূহ মুঠ ঘৰুৱা উৎপাদনত বিবেচনা কৰা নহয়। ফলত মুঠ ঘৰুৱা উৎপাদনৰ হিচাপ অসম্পূৰ্ণ হৈ ৰয়।

ii) **বাহ্যিকতা (Exteranlity) ঃ** মুঠ ঘৰুৱা উৎপাদনত বাহ্যিকতাৰ বিষয়ে বিচাৰ কৰা নহয়। বাহ্যিকতা হ'ল তৃতীয় পক্ষই বহন কৰা সুবিধা বা ব্যয় যাৰ ওপৰত তেওঁলোকৰ কোনো নিয়ন্ত্ৰণ নাথাকে। বাহ্যিকতা ধনাত্মক অথবা ঋণাত্মক হ'ব পাৰে আৰু ই দ্ৰব্য-সামগ্ৰী আৰু সেৱাৰ উৎপাদন অথবা উপভোগৰ ফলত সৃষ্টি হয়। বাহ্যিকতা দ্ৰব্য আৰু সেৱাৰ বজাৰ দৰত অৰ্ন্তভুক্ত নহয়। যদি মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ বাবে উদ্যোগীকৰণৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হয় আৰু ইয়ে পৰিৱেশ দূষিত কৰি ঋণাত্মক বাহ্যিকতাৰ সৃষ্টি কৰে, সেয়া মুঠ ঘৰুৱা উৎপাদনত আলোচনা কৰা নহয়।

iii) **বজাৰ বহিভূৰ্ত লেনদেন (Non-market transaction) ঃ** মুঠ ঘৰুৱা উৎপাদনত বজাৰ বহিভূৰ্ত লেনদেনসমূহ অৰ্ন্তভূক্ত কৰা নহয়। ইয়াত কেৱল বজাৰত লেনদেন হোৱা দ্ৰব্য-সামগ্ৰী আৰু সেৱাহে অৰ্ন্তগত হয়। কিন্তু ভাৰতৰ দৰে উন্নয়নশীল দেশসমূহত জানসাধাৰণে বহুতো দ্ৰব্য-সামগ্ৰী নিজস্ব উপভোগৰ বাবে উৎপাদন কৰে অথবা বিনিময় ব্যৱস্থাৰ দ্বাৰা লেনদেন কৰে। গতিকে দেশ এখনৰ প্ৰকৃত উৎপাদন পৰিমাণৰ নিৰ্ণয়ৰ ক্ষেত্ৰত মুঠ ঘৰুৱা উৎপাদন ধাৰণাটোৰ কিছু সীমাবদ্ধতা আছে।

iv) **আয়ৰ বিতৰণ (Income distribution) ঃ** এখন দেশৰ অৰ্থনৈতিক উন্নয়নৰ বাবে আয়ৰ সমবিতৰণ অতি প্ৰয়োজনীয়। অৰ্থনৈতিক উন্নয়নৰ ফলত যদি দেশখনত আয়ৰ সমবিতৰণ নহয়, তেন্তে ধনী আৰু দুখীয়া শ্ৰেণীৰ মাজৰ পাৰ্থক্য বৃদ্ধি পাব। অৰ্থাৎ ধনী শ্ৰেণী অধিক ধনী হ'ব আৰু দুখীয়া শ্ৰেণী অধিক দুখীয়া হ'ব। কিন্তু অৰ্থনৈতিক উন্নয়নৰ পৰিচায়ক মুঠ ঘৰুৱা উৎপাদনত আয়ৰ বিতৰণৰ বিষয়ে আলোচনা কৰা নহয়।

v) **কল্যাণৰ পৰিমাপ (Measure of welfare) ঃ** মুঠ ঘৰুৱা উৎপাদনে সঠিকভাৱে কল্যাণৰ পৰিমা

কৰিব নোৱাৰে। মুঠ ঘৰুৱা উৎপাদনৰ হ্ৰাস বৃদ্ধিয়ে অকলে জনসাধাৰণৰ কল্যাণৰ হ্ৰাস-বৃদ্ধিৰে জোখ ক নোৱাৰে। উদাহৰণস্বৰূপে, এখন দেশৰ মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ ফলত যদি আয়ৰ বৈষম্যৰ সৃষ্টি হ আৰু পৰিবেশৰ ওপৰত বিৰূপ প্ৰভাৱ পৰে, তেন্তে ইয়ে জনসাধাৰণৰ কল্যাণ হ্ৰাস কৰিব। কিন্তু আয় সমবিতৰণ আৰু বাহ্যিকতা মুঠ ঘৰুৱা উৎপাদনত অন্তৰ্ভুক্ত নোহোৱাৰ বাবে ই উপযুক্তভাৱে কল্যাণ পৰিমাপ কৰিব নোৱাৰে।

উপৰোক্ত অসুবিধা বা সীমাবদ্ধতা থকাৰ স্বত্বেও মুঠ ঘৰুৱা উৎপাদনে দেশ এখনৰ মুঠ উৎপাদনৰ পৰিমাণ নিৰ্ণ বাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে।